**63/1 (SEM–2) ASM HC 2046 (CC 4)**

# 2022

## ASSAMESE

Paper : CC–4

**( Functional Grammar of Assamese )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলত দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিওৱা : ১×৬=৬

(ক) অসমীয়া ভাষাত ৰচনা কৰা প্ৰথম ব্যাকৰণখনৰ নাম

*(i)* অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব

*(ii)* অসমীয়া ব্যাকৰণ জ্যোতি

*(iii)* ল'ৰাবোধ ব্যাকৰণ

*(iv)* অসমীয়া ভাষাৰ ব্যাকৰণ

(খ) অসমীয়া ভাষাত ক্ৰিয়াৰ কাল কেইটা ?

*(i)* দুটা

*(ii)* তিনিটা

*(iii)* চাৰিটা

*(iv)* পাঁচটা

(গ) সৰ্বনাম পদৰ প্ৰধান ভাগ

*(i)* দুটা

*(ii)* তিনিটা

*(iii)* চাৰিটা

*(iv)* পাঁচটা

(ঘ) 'আতচ্‌বাজি' শব্দটো হৈছে

*(i)* তুৰ্কী শব্দ

*(ii)* আৰবী শব্দ

*(iii)* ফাৰ্চী শব্দ

*(iv)* ইংৰাজী শব্দ

(ঙ) বাক্য গঠনৰ মূল সামগ্ৰী হৈছে

*(i)* সুৰ-লহৰ

*(ii)* পদ

*(iii)* পদৰ যোগ্যতা

*(iv)* পদৰ আকাংক্ষা

(চ) নেতাজনে ক'লে "মইতো এই বিষয়ে একোনাজানো"। বাক্যটো

*(i)* প্ৰত্যক্ষ উক্তিমূলক বাক্য

*(ii)* মিশ্ৰ বাক্য

*(iii)* সদৰ্থক বাক্য

*(iv)* নঞৰ্থক বাক্য





২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) বাচ্য বুলিলে কি বুজা? ইয়াৰ প্ৰকাৰসমূহ উল্লেখ কৰা।

(খ) তদ্ভৱ শব্দ কাক বোলে? উদাহৰণ দিয়া।

(গ) ক্ৰিয়াপদৰ ভাগ কেইটা আৰু কি কি?

(ঘ) দ্বিৰুক্তিবাচক শব্দ বুলিলে কি বুজা?

(ঙ) অসমীয়াত শব্দ বিভক্তি কেইপ্ৰকাৰ আৰু কি কি?

৩। তলৰ যি কোনো ছয়টা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৬=৩০

(ক) বিশেষণ পদ কাক বোলে? ই কেইপ্ৰকাৰ আৰু কি কি? প্ৰতিবিধৰে সূত্ৰ লিখি উদাহৰণ দিয়া।

(খ) ব্যাকৰণ বুলিলে কি বুজা? বৰ্ণনাত্মক ব্যাকৰণৰ বিষয়ে চমুকৈ লিখা।

(গ) ব্যাকৰণ শিক্ষাৰ প্ৰয়োজনীয়তা বিচাৰ কৰা।

(ঘ) যতি চিহ্ন কি? বাক্যত যতি চিহ্নৰ ব্যৱহাৰ সম্পৰ্কে বুজাই লিখা।

(ঙ) গঠনৰ ভিত্তিত বাক্যক কেইভাগত ভগাব পাৰি আৰু কি কি? প্ৰতিবিধৰে এটাকৈ উদাহৰণ দিয়া।

(চ) কাৰক অনুযায়ী বিভক্তিৰ প্ৰয়োগ সম্পৰ্কে এখন তালিকা প্ৰস্তুত কৰা।

(ছ) অসমীয়া ভাষাৰ খণ্ডবাক্য আৰু বাক্যাংশৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰা।

(জ) প্ৰত্যক্ষ উক্তি আৰু পৰোক্ষ উক্তিৰ সূত্ৰ লিখি উদাহৰণ দিয়া।

(ঝ) ক্ৰিয়াপদ কাক বোলে? সমাপিকা আৰু অসমাপিকা ক্ৰিয়াৰ পাৰ্থক্য কি, উদাহৰণ দি বুজাই দিয়া।

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) সৰ্বনাম পদ কাক বোলে? ই প্ৰধানকৈ কেইপ্ৰকাৰৰ আৰু কি কি? প্ৰতিবিধৰে সূত্ৰসহ উদাহৰণ দাঙি ধৰা।

২+২+৬=১০

(খ) যথাযথ নিদৰ্শনসহ অন্য ভাষাৰ শব্দসম্ভাৰে অসমীয়া ভাষাৰ শব্দসম্ভাৰক কিদৰে সমৃদ্ধ কৰিছে, আলোচনা কৰা। ১০

(গ) অসমীয়া ভাষাত শব্দসাধনৰ পদ্ধতিসমূহ কি কি, উদাহৰণসহ বুজাই লিখা। ১০

৫। ব্যাকৰণৰ বিভিন্ন প্ৰকাৰসমূহৰ চমু পৰিচয়সহ অসমীয়া ব্যাকৰণৰ ইতিহাস সম্পৰ্কে এটি সমীক্ষাত্মক আলোচনা প্ৰস্তুত কৰা।

৭+৭=১৪

*নাইবা*

কাৰকৰ সংজ্ঞা আৰু প্ৰকাৰৰ পৰিচয়সহ অসমীয়া ভাষাত কাৰক কিদৰে সাধন হয়, ব্যাখ্যা কৰা। অসমীয়া ভাষাত কাৰক ব্যাকৰণগত বিষয় হয়নে? বুজাই লিখা। ১০+৪=১৪

★★★